অনাতাঁৰ ধাৰাৱাহিক ৫২ খণ্ড
বহনক্ষম বিকাশৰ বাবে, -
অবিৰাম বিকাশৰ অবিৰত খোজ...
খণ্ড ৫ ঃ লগে ভাগে বিকাশৰ কথা..... শ্যামা প্ৰসাদ শৰ্মা

চৰিত্ৰ সমূহ

| | | |
|---|---|---|
| ১. বিদ্যুত বৰণ | ৩০/৩২ | ৰাজ্যিক বিজ্ঞানকৰ্মী সংস্থাৰ সাধাৰন সম্পাদক |
| ২. ড° শৰ্মা | ৬০/৬২ | বহনক্ষম বিকাশৰ গৱাষক - বিশেষজ্ঞ |
| ৩. কুন্তলা | ৩০/৩২ | ড° শৰ্মাৰ সহকাৰী |
| ৪. অৰিন্দম | ২৮/৩০ | বিজ্ঞানকৰ্মী |
| ৫. আয়েশা | ২৮/৩০ | একে |

(ঘোষণা +শীৰ্ষক গীতৰ ১ম আৰু ২ কলি)
দৃশ্য ১
(বহনক্ষম বিকাশ সম্পৰ্কে বিজ্ঞানকৰ্মীৰ আলোচনা আৰু অন্তৰংগ আলাপ)
**বিদ্যুৎঃ** ... সতীৰ্থ বিজ্ঞানকৰ্মীসকল ! ... এইবাৰ আমাৰ এই অন্তৰংগ আলাপৰ শেষ তথা মুখ্য বক্তা হ'লগৈ ড° কালীকিংকৰ শৰ্মা ! ! শৰ্মা চাৰক নতুনকৈ পৰিচয় কৰাই দিয়াৰ প্ৰয়োজন নাই, -- আপোনালোকৰ বেছিভাগেই .... শৰ্মা চাৰৰ ছাত্ৰ। .. চাৰে যোৱা প্ৰায় দুকুৰি বছৰৰো অধিক কাল বিজ্ঞান জনপ্ৰিয় কৰাৰ কামত লাগি আছে। .. তাতোকৈ ডাঙৰ কথা, তেঁও যোৱা দহ - বাৰ বছৰে বহনক্ষম বিকাশৰ অধ্যায়ন আৰু গৱাষণা লৈ ব্যস্ত আছে আৰু ইতিমধ্যে তিনি গৰাকীয়ে তেঁওৰ তত্বাৱধানত বহনক্ষম বিকাশক লৈ কৰা গৱাষণাৰ বাবে ডক্তৰেট ডিগ্ৰীও লাভ কৰিছে। .... ড° শৰ্মা চাৰ.... (হাত চাপৰি)
**শৰ্মাঃ** নমস্কাৰ আৰু স্বাগতম সতীৰ্থ বিজ্ঞানকৰ্মী সকল ! .... আমাৰ বিদ্যুৎবৰনে কোৱা সেই তিনিগৰাকী গৱেষকৰ এগৰাকী হ'লগৈ ড০ কুন্তলা কাশ্যপ।
**বিদ্যুৎঃ** এয়া আপোনালোকৰ সমুখত ড০ কুন্তলা কাশ্যপ। (হাত চাপৰি)
**কুন্তলাঃ** নমস্কাৰ আৰু ওলগ সতীৰ্থবৃন্দ !
**শৰ্মাঃ** এঁওলোকে আমাৰ আলোচনাত সহায় কৰিব।
**সতীৰ্থবৃন্দঃ** বৰ ভাল কথা চাৰ ! বৰ ভাল কথা....
**শৰ্মাঃ** সতীৰ্থ বিজ্ঞানকৰ্মী সকল ! .. বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাক জনসাধাৰনৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰত, ইতিমধ্যে আপোনালোকে ভালেখিনি ত্যাগ আৰু কষ্ট স্বীকাৰ কৰি আহিছে। ... তাৰ বাবে আপোনালোক আটাইকে ধন্যবাদ। লগতে ধন্যবাদ আপোনালোকৰ এই ৰাজ্যিক অনুষ্ঠান, -- অসম বিজ্ঞানকৰ্মী সংস্থালৈও..... (হাত চাপৰি)
এইবাৰ আপোনালোকৰ ওপৰত পৰা দায়িত্ব দিছে, তাৰ তুলনাত বহুত বেছি প্ৰত্যাহ্বান পূৰ্ণ...। .. ইতিমধ্যে বিকাশ আৰু বহনক্ষম বিকাশৰ মিল আৰু অমিলৰ বিষয়ে ভালেখিনি আলোচনাই হৈ গৈছে। ... আচলতে, সহজভাৱে ক'বলৈ গলে ... কুন্তলা ! প্ৰথম শ্লাইডখন দিয়াছোন....

**কুন্তলাঃ** দিছো চাৰ!

**শৰ্মাঃ** পঢ়িও দিয়াছোন!

**কুন্তলাঃ** ভাল চাৰ! ... প্ৰথম কথাটো হ'লগৈ ... বিকাশৰ সফলতা - বিফলতাৰ পৰ্য্যালোচনাৰ আধাৰতেই বহনক্ষম বিকাশ বোলা ধাৰণাটোৰ জন্ম।

**শৰ্মাঃ** বাৰু! এই লৈ কাৰোবাৰ কিবা ক'বলগীয়া??

**অৰিন্দমঃ** মই কওঁ চাৰ!

**শৰ্মাঃ** ওঁ, কওঁক।

**অৰিন্দমঃ** মোৰ নাম অৰিন্দম, -- অৰিন্দম বৰুৱা। মই ভাবো কথাটো সম্পূৰ্ণ সঁচা।... বিকাশৰ প্ৰত্যেকখন আচঁনিৰ সৈতে কিছুমান পাৰ্শ্বপ্ৰভাৱ জড়িত হৈ থাকে। ইয়াৰে কিছুমান ভাল আৰু কিছুমান বেয়া, ক্ষয়ংকাৰী। এই সকলোবোৰ দিশ পুংখানুপুংখভাৱে বিচাৰ নকৰাকৈয়ে বিকাশৰ প্ৰকল্প হাতত ল'লে, বহু সময়ত বিকাশৰ গতি ব্যাহত হোৱা দেখা যায়, -- বিকাশো কম- বেছি পৰিমাণে বিকাশৰ ভূমিকা লোৱাও দেখা যায়।

**আয়েশাঃ** হয় চাৰ! অৰিন্দম বৰুৱাই ঠিক কথাকেই কৈছে। .... অ' মোৰ নাম আয়েশা বেগম। ... এটা উদাহৰণ দিলেই কথাটো স্পষ্ট হৈ পৰিব। ... যোৰাবাটৰ যান-জঁট, কৃত্ৰিম বানপানী আৰু ইয়াঁৰ ওচৰ - পাঁজৰে থকা পাহাৰুৱা ঘাইপথত হোৱা সঘন ভূমিস্খলন...

**বাকীবোৰঃ** বাপৰে বাপ! ... যোৰাবাটৰ এনে যন্ত্ৰনাত - জীয়াতু নোভোগা লোক ... আমাৰ উত্তৰ - পূৰ্বাঞ্চলত কিজানি ... খুব কমেই আছে...।

**অৰিন্দমঃ** চাঁওক, যাতায়াত খৰতকীয়া কৰাৰ খাটিৰত আগৰ সৰু ঘাইপথবোৰ ভালেখিনি বহল কৰা হ'ল! এয়া বিকাশৰেই অংশ। কিন্তু তাৰ বাবে পাহাৰৰ কাষবোৰ আগতকৈ বেছি থিয় ঢাল কৰি কাটি পেলোৱা হ'ল। ... ফলত দুয়ো ফালৰপৰা অহা-যোৱা গাড়ী সবেগে সুকলমে আহিব পৰাৰ ব্যৱস্থা হ'ল।

**আয়েশাঃ** ... কিন্তু বিকাশৰ খাটীৰত, বিকাশৰ দোহাই দি যি বিনাশ কৰা হ'ল, সিয়েই সেই অঞ্চলৰ প্ৰকৃতিৰ ভাৰসাম্য নষ্ট কৰি পেলালে.... (আৰহ)

**অৰিন্দমঃ** এজাক ডাঙৰ বৰষুণতেই এই এলেকাত যান-বাহন চলিব নোৱাৰাকৈ বানপানী হয়, কৃত্ৰিম বানৰ বোকা - মাটিয়ে পথচোৱা অচল কৰি তোলে...

**আয়েশাঃ** ... এয়া দৰাচলতে বিকাশ যদিও ... সঘনে ব্যাহত হৈ থকা বিকাশ...

**কুন্তলাঃ** ... মানে বিকাশ হৈও ই বহনক্ষম বা বৰ্তি থাকিব পৰা বিকাশ হৈ উঠিব পৰা নাই।

**বাকীবোৰঃ** হয় বাইদেউ!

**অৰিন্দমঃ** সেয়ে আজিৰ দিনত আমাৰ শ্ল'গান আৰু মূলমন্ত্ৰ কেৱল 'বিকাশ' -- এই নহয়, -- হ'ব লাগিব...

**আটায়েঃ** বহ-নক্ষ-ম বিকা-শ!! (আৰহ)

(হাত চাপৰি)

**শৰ্মাঃ** এৰা! বজাই ৰাখিব পৰা, ... বিৰূপ পাৰ্শ্বপ্ৰভাৱ নথকা .... মানে বহ-নক্ষ-ম বিকা-শ!! বাৰু

কুন্তলা ! দ্বিতীয়খন শ্লাইড...

**কুন্তলাঃ** দিছু চাৰ ! ... কথাখিনি ময়েই পঢ়ি দিছো চাৰ ! ... 'বহনক্ষম বিকাশ, বিকাশৰেই পৰিৱৰ্তিত, সময়সাপেক্ষ তথা প্ৰাসংগিক ৰূপ, নিৰাপদ, বিঘিণিবিহীন আৰু অবিৰাম .... বিৰতিবিহীন...

**আটায়েঃ** হয় বাইদেউ ! সেইটোৱেই তাৰ আচল পৰিচয়, -- আচল স্বৰূপ।

**শৰ্মাঃ** সতীৰ্থসকল ! অকল যোৰাবাটৰ যাতনাৰ কথাই নহয়, -- আমাৰ অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্যত বিকাশৰ বহু উদাহৰনেই আছে, -- কিন্তু বহনক্ষম বিকাশৰ উদাহৰন তেনেই কম !!

**আয়েশাঃ** ... তাৰ মানে চাৰ ! বিকাশৰ প্ৰধান ভাগ দুটা, -- এটা বহনক্ষম আৰু আনটো কি চাৰ ?

**শৰ্মাঃ** আনটো হৈছে বহন-অক্ষম মানে, বজাই ৰাখিবলৈ টান বা বৰ্তাই ৰাখিবলৈ টান। ... ইংৰাজীত নন - চাষ্টেইনেৰল্ ...।

**বাকীবোৰঃ** ... বহন- অক্ষম মানে নন্ - চাষ্টেইনেৰল্ !!

**শৰ্মাঃ** কুন্তলা। তৃতীয়খন শ্লাইড ...

**কুন্তলাঃ** দিছো চাৰ !

**শৰ্মাঃ** আপোনালোকে 'উধান'ৰ কথা জানে নহয় ?

**বাকীবোৰঃ** জানো চাৰ !

**শৰ্মাঃ** উধানত কমেও তিনিটা ওখ আলম থাকে। তিনিটাতকৈ কম থাকিলে কিন্তু তাত ৰন্ধাৰ বাবে ব্যৱহাৰ কৰা টোতো ৰাখিবই নোৱাৰি। ... কুন্তলা... ! (তুমিয়েই ধৰাছোন অৰ্থত)

**কুন্তলাঃ** ... শ্লাইডৰ চিত্ৰখনত এটা উধান ব্যৱহাৰ কৰি বহনক্ষম বিকাশৰ আলম তিনিটা দেখুৱাইছে। ... মন কৰিছে নে আপোনালোকে ?

**বাকীবোৰঃ** কৰিছোঁ। কাৰ্টুনটো বৰ সুন্দৰ হৈছে ...

**আয়েশাঃ** তাৰ মানে বাইদেউ ! বহনক্ষম বিকাশৰ মূল আলম তথা বিচাৰ কৰিবলগীয়া বিষয় তিনিটাই হ'লগৈ ক্ৰমে ...

* সামাজিক
* অৰ্থনৈতিক
* পৰিৱেশ সম্পৰ্কিয় (আৰহ)

**কুন্তলাঃ** এৰা ! বহনক্ষম বিকাশৰ এই তিনিটাই মূল আলম বা স্তম্ভ। ... ইয়াৰে এটা বেয়া বা দুৰ্বল হ'লে কি হ'ব বাৰু ?

**অৰিন্দমঃ** বহনক্ষম বিকাশৰ গুৰিটোৱেই দুৰ্বল হ'ব, সোলোক - ঢোলোক হৈ পৰিব হাঃ হাঃ হাঃ আৰু....

**আয়েশাঃ** বেলেন্স ৰাখিব নোৱাৰি ভাতৰ টৌ বাগৰি পৰাৰ দৰে ... হাঃ হাঃ হাঃ

**দুয়োঃ** বহনক্ষম বিকাশত 'চিৎভলঙা' দিব... হাঃ হাঃ হাঃ

(আটায়ে হাহিঁত যোগ দিয়ে)

**আটায়েঃ** হয়... হয়... চিৎভলঙাই দিব... হাঃ হাঃ হাঃ

**শৰ্মাঃ** হাঃ হাঃ হাঃ !! তাৰ মানে ... তিনিওটা স্তম্ভ সমানেই মজুত নহ'লে .... বহনক্ষম বিকাশ গৈ ...

**কুন্তলা, অৰিন্দম আৰু আয়েশাঃ** ... বহন- অক্ষম বিকাশহে হৈ পৰিব ... !

**শৰ্মাঃ** ঠিক কথা !! ... বহনক্ষম বিকাশৰ ধাৰণাৰ উদ্ভৱ হোৱাৰ আগলৈকে ... বেছিভাগ ৰাষ্ট্ৰীয় আৰু আন্তঃ ৰাষ্ট্ৰীয় অনুষ্ঠান - প্ৰতিষ্ঠানে ঠিক এই ভুলটোকেই কৰিছিল। ... তেঁওলোকে বিকাশৰ কথা ভাবোতে ... সময়ে সময়ে ... এই তিনিটা স্তম্ভৰ একোটাৰ ওপৰতহে গুৰুত্ব দিছিল, -- বাকী দুটা অৱহেলিতই হৈ আছিল।

**কুন্তলাঃ** ... মানে তিনিওটা স্তম্ভকেই সমান গুৰুত্ব দিয়া নাছিল আৰু তাৰ ফলতেই ... বিকাশৰ ভালেমান ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় আচনি ...

**কুন্তলা আৰু শৰ্মাঃ** ... হয় বিফল হৈছিল ... অথবা... বহন - অক্ষম হৈ পৰিছিল !! (কৰুন সংগীত)

অৰিন্দমঃ তাৰ মানে চাৰ ! বহনক্ষম বিকাশৰ বাবে সামাজিক, অৰ্থনৈতিক আৰু পাৰিৱেশিক, -- এই তিনিওটা দিশত সমানে গুৰুত্ব দি কাম কৰিব পৰাকৈ ... আমাক একোটা শীৰ্ষ পৰ্য্যায়ৰ অনুষ্ঠান লাগিবই... ?

**শৰ্মাঃ** এৰা ! লাগিবই তো...

**আয়েশাঃ** ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক, -- দুয়োটা পৰ্য্যায়তেই লাগিব ... ?

**শৰ্মাঃ** এৰা ! মোৰ হিচাপত তো বহনক্ষম বিকাশ খৰ্তকীয়া কৰিবলৈ হ'লে, আমাৰ ৰাজ্যিক পৰ্য্যায়তো এনে অনুষ্ঠানৰ প্ৰয়োজন।

**অৰিন্দমঃ** তেনে শীৰ্ষ অনুষ্ঠান ক'ৰবাত আছে নেকি চাৰ ?

**শৰ্মাঃ** ওঁহো নাই ! ৰাষ্ট্ৰীয় বা আন্তৰ্জাতিক, -- কোনো পৰ্য্যায়তেই তেনে অনুষ্ঠানৰ জন্ম হোৱা নাই ...

**বাকী সৱেইঃ** .... এ ...চে...চে... ! তেনেহ'লেতো মস্কিলেই হ'ল।

**শৰ্মাঃ** হতাশ হ'বৰ কোনো কাৰণ নাই সতীৰ্থ সকল ! ... আশাৰ কথা, ইতিমধ্যে আন্তৰ্জাতিক পৰ্য্যায়ত ... এই দিশত আলাপ - আলোচনা আৰু সচেতনতা ভালেখিনি বাঢ়িছে। এই তৎপৰতা অব্যাহত থাকিলে, আমি বোধকৰো... অচিৰেই তেনে এক শীৰ্ষ আন্তৰ্জাতিক অনুষ্ঠান গঠন হোৱা দেখিবলৈ পাম... ।

**বাকী সৱঃ** সেইটোতো বৰ ভাল পদক্ষেপেই হ'ব।

**শৰ্মা আৰু কুন্তলাঃ** নিশ্চয় হ'ব আৰু ...

**শৰ্মাঃ** ... আমাৰ বহুতেই যে বহন - অক্ষম বিকাশ আচঁনিৰ বাবে সময়ে সময়ে জীয়াতু ভুগি আহিছে ... সেইবোৰৰ পৰাও পৰিত্ৰাণ পাম ... । ... কুন্তলা ! চতুৰ্থখন শ্লাইড ...

**অৰিন্দমঃ** চাৰ ! যোৰাবাটৰ যাতনা ...

**আয়েশাঃ** ... লক্ষীমপুৰ এলেকাত বছৰত ৪-৫ বাৰ হোৱা বানপানী আৰু

**বিদ্যুৎঃ** ... মাটি খহাৰ বাবে দিনৰ পিছত দিন যাতায়াত বন্ধ হৈ থকা ...

**আয়েশাঃ** ... নৈ - বান্ধৰ পানীএৰি দিয়া বানত এমাহ ডেৰমাহলৈ ৰেল যাতায়াত বন্ধ হৈ পৰা ...

**তিনিওঃ** ... আদি যাতনাৰ পৰা সকাহ পাম নে ?
**শৰ্মাঃ** মোৰ হিচাপত পাবতো লাগেই !
**সৰেইঃ** উস্ ! তেনে দিন সোনকালে আহিলেই ৰক্ষা।
**কুন্তলাঃ** আৰু এটা কথা ! বহন - অক্ষম বিকাশৰ বাবে পোৱা এনেবোৰ যাতনাৰ পৰা আমি ৰক্ষাতো পৰিমেই, ... বহনক্ষম বিকাশৰ বাবে আমি... আগলৈ আৰু কেতিয়াও... নতুনকৈ বিকাশ জনিত যাতনাৰ কবলতো পৰিব নালাগিব...
**সৰেইঃ** সেইটোতো আৰু ভাল কথা, আৰু মংগলৰ কথা.... তাৰ মানে
**কুন্তলাঃ** বহনক্ষম বিকাশ ... সকলো ফালৰপৰাই শুভ আৰু মংগলময়.. ! !
**সৰেইঃ** বহনক্ষম বিকাশ জিন্দাবাদ ! জিন্দাবাদ ! !
**বিদ্যুৎঃ** এতিয়া চাৰ ! এই শুভ আৰু মংগলময়ৰ নামতেই কুৰি মিনিটৰ চাহবিৰতি ! ... তাৰ পাছত আমি আকৌ ইয়াতেই লগ লাগিমহি...
**সৰেইঃ** বৰ ভাল কথা ! বৰ ভাল কথা ! !

(আনন্দময় আৰহ সংগীত)

**দৃশ্য ২**

( চাহ বিৰতিৰ পিছত। আনন্দময় আৰহ)

**বিদ্যুৎঃ** ... সতীৰ্থসকল ! ... এতিয়া আমি আমাৰ অন্তৰংগ আলাপৰ দ্বিতীয় তথা শেষ ভাগটো আৰম্ভ কৰিছো ! .. চাৰ ! .. বাইদেউ ! !
**কুন্তলাঃ** চাৰ ! চতুৰ্থ শ্লাইডখন দিয়াই আছে, চাৰ ! সতীৰ্থসকল ! চাওক, ইয়াত চনৰ হিচাপত ... এনে ধৰণৰ আন্তৰ্জাতিক আলোচনা আৰু বুজা-পৰাৰ বিষয়ে দিয়া আছে ...
**শৰ্মাঃ** ... এই দিশত প্ৰথম আলোচনা হয় ১৯৭২ চনত চুইডেনৰ ষ্টকহ’মত। ... আজিৰপৰা ঠিক ৪৫ বছৰ আগতে। ১১৩ খন দেশে এই আলোচনাত অংশগ্ৰহণ কৰে আৰু ভাৰতে এক সক্ৰিয় ভূমিকা পালন কৰে ...
**বিদ্যুৎঃ** ... তাৰ মানে চাৰ ! এই দিশত আমাৰ ভাৰতো এক অন্যতম বাটকটীয়া।
**শৰ্মাঃ** হয় বিদ্যুৎ ! সেয়া আমাৰ আটাইৰে বাবেই গৌৰৱৰ কথা...
**সৰেইঃ** ভাৰতীয় বিজ্ঞান আৰু বিজ্ঞানী জিন্দাবাদ ! জিন্দাবাদ ! !
**কুন্তলাঃ** এই অধিৱেশনতেই পোন প্ৰথমে বিশ্বৰ পৰিৱেশ সম্পৰ্কে আলোচনা হয়। ই বিকাশৰ সৈতে পৰিৱেশ সুৰক্ষা আৰু সংৰক্ষণৰ ওপৰত জোৰ দিয়ে আৰু তাৰ ফলতেই এই দিশত আন্তৰ্জাতিক সচেতনতা বৃদ্ধি পাবলৈ ধৰে।
**শৰ্মাঃ** ইয়াৰ ফলতেই সন্মিলিত জাতিসংঘ পৰিৱেশ কাৰ্য্যসূচী নামৰ অনুষ্ঠানটোৰ জন্ম হয়।
**কুন্তলাঃ** তাৰ পিছত চাওক ... ১৯৯২ চন। এইবাৰ আলোচনা হয় ব্ৰাজিলৰ ৰিও’ ডি জেনেৰিঅ’ত। এইখন প্ৰথমখনৰ তুলনাত বেছ ব্যাপক আৰু বৃহৎ সন্মিলন আছিল...
**শৰ্মাঃ** ইয়াত এশতকৈও বেছি ৰাষ্ট্ৰৰ মুৰব্বী ... আৰু ১৭৮ খন ৰাষ্ট্ৰৰ প্ৰতিনিধিয়ে ভাগ লৈছিল।
**আয়েশাঃ** ... তাৰ মানে এই বিশ বছৰৰ ভিতৰতেই সচেতনতা যথেষ্ট ব্যাপক হৈ পৰে...

**কুন্তলাঃ** এৰা ! ইয়াক পিছলৈ বিশ্ববিখ্যাত ৰিও - বিশ্বশীৰ্ষ সন্মিলন বুলিয়েই জনা যায়। ইংৰাজীতে ৰিও- আৰ্থ- চামিট...

**শৰ্মাঃ** ইয়াতেই পোন প্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক ভাৱে বিকাশৰ বহনক্ষম ৰূপটোৰ কথা আলোচনা কৰা হয়... আৰু তাৰ বাবে কাৰ্য্যসূচী তথা আচঁনি ৰূপায়ণৰ কৌশলপাতি নিৰ্ধাৰণ কৰা হয়...

**অৰিন্দমঃ** ... তাৰ মানে ... বহনক্ষম বিকাশৰ ধাৰণা আৰু শব্দ দুটাৰ উদ্ভাৱক এই ৰিও - আৰ্থ - চামিটেই নেকি চাৰ?

**শৰ্মাঃ** কথাটো ঠিক তেনে নহয়। ... ৰিও - বিশ্ব -শীৰ্ষ - সন্মিলনে পিছলৈ ... বহুত বেছি গুৰুত্ব আৰু প্ৰচাৰ পোৱা বাবে... বহুতে ঠিক তেনেদৰেই ভাৱে...

**কুন্তলাঃ** ... পিছে, তাৰো পাঁচ বছৰ আগতে... ১৯৮৭ চনত এজন জাপানী বিজ্ঞানীয়ে এই শব্দযোৰা ব্যৱহাৰ কৰে। নাম তেঁওৰ মাচান'বু ফুকুঅ'কা।

**সৱেইঃ** মাচা - ন' -বু ফুকু - অ'কা...!!

**শৰ্মাঃ** হয়। কুন্তলা ! ফুকুঅ'কাৰ ফটো আৰু তেওঁৰ কিতাপখনৰ ফটো থকা শ্লাইডখন...

**কুন্তলাঃ** দিছো চাৰ !

**বিদ্যুৎঃ** ... কিতাপখন হ'লগৈ ...ৱান ষ্ট্ৰ ৰিভ'-লি-উ-চন

**আয়েশা আৰু অৰিন্দমঃ** ... ৱান ষ্ট্ৰ ৰিভ-লি-উ-চন ... মানে

**আয়েশাঃ** ... মানে অসমীয়াতে হ'বগৈ ... এক খেৰ কুটাৰ ... বিপ্লৱ...

**সৱেইঃ** ... খেৰ কুটাৰ বিপ্লৱ হাঃ হাঃ হাঃ

**শৰ্মাঃ** ... নামটো হাঁহি উঠা যেন লাগিলেও, ই কিন্তু বেছ অৰ্থবহ ...। খেৰ - কুটা মানে তেনেই নগণ্য, তেনেই সাধাৰণ...

**কুন্তলাঃ** ... তাৰ মানে এক অতি নগণ্য বুলি ভবা চিন্তা - চৰ্চাৰ পৰা আৰম্ভ হোৱা এক আন্দোলন, এক বিপ্লৱ...

**শৰ্মাঃ** ... আৰু যোৱা সোতৰ বছৰে ... তেঁওৰ সেই সাধাৰন যেন লগা চিন্তা - চৰ্চা ... আজি এক বিশ্বযোৰা বিপ্লৱত পৰিণত হৈ পৰাই দেখা গৈছে...

**বিদ্যুৎঃ** ... চাৰ ! কিতাপখন কেনে ধৰণৰ বিষয়- বস্তু লৈ লিখা হৈছে নো চাৰ ?

**শৰ্মাঃ** বহনক্ষম বিকাশৰ বাবে প্ৰয়োজনীয় তথা বিশ্লেষণৰ লগতে, ইয়াত ভালেমান গুৰুত্বপূৰ্ণ দিশৰ সামগ্ৰিক বিচাৰ বিশ্লেষণেই আছে। ... সামগ্ৰিক বিশ্লেষণ মানে ... ভাল - বেয়া, অতীত - বৰ্তমান - ভৱিষ্যতকে ধৰি প্ৰায় সকলো দিশ ...

**কুন্তলাঃ** ... এইবোৰৰ ভিতৰত আমি সম্প্ৰতি সততেই চিন্তিত হৈ থকা কৃষি, ভূমিসংৰক্ষণ, পানীৰ মিতব্যয়ী ব্যৱহাৰ তথা সংৰক্ষণ আৰু ... ভূদশ মানে লেণ্ডস্কেপৰ জৰিয়তে বিভিন্ন প্ৰজাতিৰ সংৰক্ষণ আদিয়েই প্ৰধান।

**শৰ্মাঃ** ফুকুঅ'কাই তেওঁৰ আগৰ বা সমসাময়িক বিজ্ঞানীসকলৰ দৰে বিকাশৰ কাৰকবোৰক খণ্ডিত ভাৱে ... মানে এটাৰ পৰা আনটোক বিচ্ছিন্ন কৰি চোৱা নাছিল। চাইছিল এক সাৰ্বজনীন সামগ্ৰিক ভাৱে। আৰু এই সামগ্ৰিকতাই তেওঁৰ উদ্ভাৱন বা তত্বৰ প্ৰধান বৈশিষ্ট্য, প্ৰধান অলংকাৰ।

**কুন্তলাঃ** তেওঁ দৰাচলতে বিকাশৰ বাবে এক সামগ্ৰিক দৰ্শন মানে ফিল'চফিৰেই উদ্যোক্তা...
**বিদ্যুৎঃ** বাইদেউ ! দৰ্শন বা ফিল'চফি বুলিলেই সাধাৰণতে আমাৰ মনলৈ কিছুমান তত্বগধুৰ কথাই আহে।
ফুকুঅ'কাই বাৰু সেইবোৰ তেনেদৰেই প্ৰচাৰ কৰিছিল নে ... তাক ব্যৱহাৰিকভাৱে প্ৰমানো কৰি দেখুৱাইছিল ?
**কুন্তলাঃ** কৰিও দেখুৱাইছিল। ... এয়া চাওক, ফুকুঅ'কাৰ কৃষিপামৰ ফটো...
**আয়েশাঃ** হাৰে। একেখন পামতে বিভিন্ন ধৰণৰ টেঙা ... মাহজাতীয় শস্য আৰু ...
আয়েশা আৰু অৰিন্দমঃ ধান।
**শৰ্মাঃ** তেওঁৰ এনে বহনক্ষম বহুমুখী কৃষিপদ্ধতিৰ গুৰিৰ কথা কেইটা আছিল ... কুন্তলা ! পিছৰ শ্লাইডখন।
**কুন্তলাঃ** দিছো চাৰ !
**শৰ্মাঃ** এয়া চাওক ! ... প্ৰথম কথা খেতি - বাতিয়েই হওক বা অইন কিবা বিকাশৰ কামেই হওক, - - প্ৰাকৃতিক ভাৰসাম্য একেবাৰে নষ্ট নকৰাকৈ বা একেবাৰে সামান্য পৰিমাণে কৰিহে বিকাশৰ কাম কৰিব লাগিব...
**বিদ্যুৎঃ** দ্বিতীয় কথা, কীট - পতংগৰ পৰা ফচল ৰক্ষা কৰিবৰ বাবে ৰাসায়নিক সাৰ ব্যৱহাৰ কৰিব নালাগে; কৰিলে, প্ৰাকৃতিক ভাৰসাম্য নষ্ট হৈ থকাৰ এটা পৰ্য্যায়ক্ৰমী চক্ৰ তৈয়াৰ হয়...
**আয়েশাঃ** ... আৰু ইয়াৰ ফলত, চিৰস্থায়ীভাৱে ৰাসায়নিক কীটনাশকৰ ওপৰত নিৰ্ভৰ কৰি চলা ব্যৱস্থা এটাও আৰম্ভ হৈ যায়...
**অৰিন্দমঃ** ... এই চিৰস্থায়ী ব্যৱস্থাটো চল, খেতিৰ মাটি আৰু তাত থকা জৈৱ বৈচিত্ৰ্যৰ বাবে ক্ষতিকৰ।
**শৰ্মাঃ** এৰা ! এই তিনিটা স্বীকাৰ্য্য মানে হাইপ'ঠেচিচৰ ভিত্তিত কাম কৰি ফুকুঅ'কাই বেছ ভাল ফচলেই পাইছিল।
**বিদ্যুৎঃ** তেনেহ'লে, তেওঁৰ বহনক্ষম কৃষিপদ্ধতিৰ স্বীকাৰ্য্য তিনিটা প্ৰমাণিত হোৱা বুলিয়েই ধৰিব পাৰি।
**আয়েশা আৰু অৰিন্দমঃ** নিশ্চয় পাৰি।
**কুন্তলাঃ** যোৱা কেই দশকমান ধৰি বহু দেশত ফুকুঅ'কাৰ এই দৰ্শণৰ ভিত্তিতেই কাম হ'ব ধৰিছে আৰু তাৰ পৰা ভাল ফলো পোৱা গৈছে।
**শৰ্মাঃ** আৰু এটা কথা। জিন সলনি কৰি ফচল - পাতি ডাঙৰ বা কীট - পতংগই অণিষ্ট কৰিব নোৱাৰা কৌশল...
**কুন্তলাঃ** ... মানে জিন - আধাৰিত ইঞ্জিনীয়াৰিং আৰু জিন- প্ৰযুক্তি বিদ্যা সম্পৰ্কেও...
**শৰ্মাঃ** ... তেওঁ ভালেমান সময়োপযোগী বিশ্লেষণ আগ বঢ়াইছে। এই বিশ্লেষণ পশুধনৰ উৎপাদন আৰু লালন - পালনৰ ক্ষেত্ৰতো খাটে...
**বিদ্যুৎঃ** তাৰ মানে চাৰ ! বহনক্ষম বিকাশৰ বাবে প্ৰয়োজনীয় প্ৰায় আটাইবোৰ কথাই তেওঁ সুপৰিকল্পিত আৰু সুচীন্তিতভাৱে কিতাপখনতেই লিখি থৈছে ...

**শৰ্মাঃ** এৰা ! এইখন এখন ভৱিষ্যমুখী গ্ৰন্থ। .. ইয়াৰ পৰা আমি অভ্যস্ত হৈ পৰা আৰু অপৰিৱৰ্তনীয় বুলি ভাবি থকা ... ভালেমান চিন্তা - চৰ্চাই এতিয়া ক্ৰমে পৰিত্যক্ত হৈ আহিবলৈ ধৰিছে...

**কুন্তলাঃ** ... আৰু সেইবোৰৰ ঠাই ল'বলৈ আৰম্ভ কৰিছে... বহনক্ষম বিকাশ সম্পৰ্কীয় মাচান'বু ফুকুঅ'কাৰ যুগান্তকাৰী দৰ্শণে...

**অৰিন্দমঃ** তাৰ মানে... যুকুঅ'কা এগৰাকী ভৱিষ্য - দ্ৰষ্টা মহান বিজ্ঞানী...

**আয়েশাঃ** ... তেওঁৰ এই নতুন দৰ্শণ অনুসৰণ কৰিয়েই এদিন বোধকৰো সমবিকাশ আৰু বহনক্ষম বিকাশ সৰ্বতোভাৱেই সাৰ্থক হৈ উঠিব আৰু ...

**অৰিন্দমঃ** ... বিশ্বমানৱৰ বাবে বিকাশৰ জৰিয়তে শান্তি- সম্প্ৰীতি - ঐক্যৰ ধ্বণিও সাৰ্থক হৈ উঠিব।

**শৰ্মা আৰু কুন্তলাঃ** ... আমিওতো তাকেই আশা কৰো।

**সৱেই**ঃ ... আমিও কৰো চাৰ ! ( হাত তালি)

**শৰ্মাঃ** কুন্তলা ! এইবাৰ মিলেণিয়াম চামিটৰ শ্লাইড কেইখন ...

**কুন্তলাঃ** দিছো চাৰ !

**শৰ্মাঃ** সতীৰ্থসকল ! ১৯৭২ চনত ষ্টকহ'মত হোৱা প্ৰথমখন আলোচনা ২৮ বছৰৰ ভিতৰতেই ... এক বৃহৎ সমদলৰ সমূহীয়া খোজ তথা আন্দোলনত পৰিণত হ'ল...। এয়া চাওক ! ... এয়া হ'লগৈ ২০০০ চনৰ চেপ্তেম্বৰত আন্তৰ্জাতিক অংশ গ্ৰহণেৰে হোৱা মিলেনিয়াম চামিট ... মানে

**কুন্তলাঃ** ... সহস্ৰাব্দ অৰ্থাৎ হেজাৰ বছৰীয়া শীৰ্ষ সন্মিলণ।

**শৰ্মাঃ** ইয়াত আন্তৰ্জাতিকভাৱে আঠোটা লক্ষ্য স্থিৰ কৰি লোৱা হৈছিল আৰু এইবোৰ ২০১৫ চনৰ ভিতৰত সম্পূৰ্ণ ৰ সিদ্ধান্ত লোৱা হৈছিল। সেইবোৰ হ'লগৈ ... কোনোবা দুজনে সেইবোৰ ...
আয়েশা আৰু অৰিন্দমঃ আমি দিম চাৰ !

**শৰ্মাঃ** ভাল, দিয়া...

**আয়েশাঃ** এক, চুড়ান্ত দৰিদ্ৰতা আৰু ভোক নিবাৰণ কৰা ... (আৰহ)

**অৰিন্দমঃ** দুই, সকলোৰে বাবে প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰা ... (আৰহ)

**আয়েশাঃ** তিনি, নাৰী - পুৰুষৰ বাবে লিংগসমতা আৰু ই সবলীকৰণ...(আৰহ)

**অৰিন্দমঃ** চাৰি, কেচুঁৱাৰ মৃত্যুহাৰ কম কৰা... (আৰহ)

**আয়েশাঃ** পাঁচ, প্ৰসূতিৰ স্বাস্থ্য উন্নত কৰা... (আৰহ)

**অৰিন্দমঃ** ছয়, এইড্‌চ, কেন্সাৰ, মেলেৰিয়া, ডেংগু আদি নিৰ্মূল কৰা... (আৰহ)

**আয়েশাঃ** সাত, বহনক্ষম পৰিৱেশ ব্যৱস্থা সুনিশ্চিত কৰা... (আৰহ)

**অৰিন্দমঃ** আৰু... আঠ... বহনক্ষম বিকাশৰ বাবে এক বিশ্বজোৰা অংশীদাৰিত্ব স্থাপন কৰা...

**বিদ্যুৎঃ** হাৰে... আমাৰ দেশত এইবোৰৰ বেছি ভাগেই দেখোন পূৰ্ণ উদ্যমে চলি আছে !

**শৰ্মাঃ** এৰা ! ইয়াৰে প্ৰত্যেকটোই বহনক্ষম বিকাশৰ সফলতা আৰু ধাৰাবাহিকতাৰ বাবে অতি প্ৰয়োজনীয়। ... বিদ্যুতে ঠিকেই কৈছে ... আমাৰ দেশত এইবোৰ পূৰ্ণ উদ্যমে চলি আছে। পিছে, ২০১৫ৰ ভিতৰত এইবোৰৰ ভালেমানেই সম্পূৰ্ণ নহ'লগৈ। আন ভালেমান দেশৰো একেই অৱস্থা। আৰু ঠিক সেই একেই কাৰণেই...

**কুন্তলাঃ** ... আন্তৰ্জাতিক পৰ্য্যায়ত ২০১৫ চেপ্তেম্বৰত ইয়াৰ পৰ্য্যালোচনা কৰি ১৫ বছৰৰ বাবে নতুনকৈ ১৭ টা লক্ষ্য নিৰ্ধাৰণ কৰি লৈছে। এইবোৰক থোৰতে বহনক্ষম বিকাশৰ লক্ষ্য ২০৩০ বুলি কোৱা হয়।

**সৱেই**ঃ বহ- নক্ষ - ম বিকা-শৰ লক্ষ্য দুহেজাৰ ত্ৰিশ।

**অৰিন্দম**ঃ তাৰ মানে... পোন্ধৰ বছৰীয়া ... এক মজলীয়া ম্যাদৰ কাৰ্য্যসূচী।

**শৰ্মা**ঃ এৰা ! ... এখন দেশ বা গোটেই বিশ্বৰ বাবে পোন্ধৰটা বছৰ নো কি কথা ? টিলিকতে পাৰ হৈ যাব। ...পিছে, ভয় হয়, এই দ্বিতীয় ম্যাদ পুৰা হ'লেও কিজাণি ... বিশৰ বহু দেশ সম্পূৰ্ণ ভাৱে এই লক্ষ্যত উপনীত হ'ব নোৱাৰিব।

**বিদ্যুৎ**ঃ আপোনাৰ সংশয়ৰ আধাৰ কি চাৰ ?

**শৰ্মাঃ** এই আমাৰ দেশখনৰ কথাই ধৰকছোন... আমাৰ দেশখনত ... স্বাধীনতাৰ সত্তৰ বছৰ পিছতো ভালেমান নেতিবাচকতা ... ব্যাপকভাৱে সক্ৰিয় হৈ আছে...। ... আপোনালোকে বাৰু ধৰিব পাৰিছেনে, মই কেনে ধৰণৰ নেতিবাচকতাৰ কথা কৈছো...

(সতীৰ্থসকলৰ মাজত ওঁ - ওঁ -ওঁ আদি শব্দৰে চিন্তা কৰাৰ প্ৰয়াস)

**আয়েশাঃ** চা-চা-ৰ ! দেশৰ এক বুজন সংখ্যক ৰাইজৰ মাজত ব্যাপক তথা চৰম দৰিদ্ৰতা।

**শৰ্মাঃ** এৰা আয়েশা ! তুমি সঠিক দিশতেই চিন্তা কৰিছা...

**অৰিন্দমঃ** ... তাৰ লগতে ... অন্ধবিশ্বাস আৰু কুসংস্কাৰ... মৃত্যু... লগতে বোধকৰো সন্ত্ৰাস আৰু উগ্ৰবাদো...বিকাশৰ গতি ব্যাহত কৰে, বিকাশ পশ্চাৎমুখী বা স্থৱিৰ কৰি তোলে...

**বিদ্যুৎঃ** কিন্তু চাৰ, স্বাধীনতাৰ পিছৰে পৰাই আমাৰ দেশত এইবোৰ নিৰ্মূল কৰাৰ কাৰণে...

**শৰ্মাঃ** এৰা ! বহু কামেই কৰা হৈছে; কিন্তু শ শ বছৰ পুৰণি এনে কিছুমান নেতিবাচকতা আছে, যিবোৰ সহজতে বা সোনকালে নিৰ্মূল কৰাটো সম্ভৱ নহয়, -- আৰু এইবোৰ নিৰ্মূল কৰিব নোৱাৰিলে, মোৰতো ভয়েই হয়, -- আনকি বহনক্ষম বিকাশৰ ভালৰো ভাল আঁচনিও সৰ্বতোভাৱে সফল হোৱা টান আছে... বাৰু কুন্তলা শেষৰ শ্লাইডখন...

**কুন্তলাঃ** দিছো চাৰ ! ... সতীৰ্থসকল ! এয়া চাওক ইয়াত বহনক্ষম বিকাশৰ লক্ষ্য ২০৩০ৰ ১৭টা লক্ষ্যৰে প্ৰতিটোৰে কথা আৰু বৈশিষ্ট্য ... চমুকৈ দিয়া আছে। ... আপোনালোকক দিয়া প্ৰচাৰ পুস্তিকাখনতো এইবোৰ আছে ! ... সেইবোৰ আপোনালোকে তাতেই চাই ল'ব পাৰিব। ... চাৰে সংক্ষেপতে সেইবোৰ যুকীয়াই... মূল কথাখিনি ক'ব...

**শৰ্মাঃ** ... এৰা ! এই ১৭টা লক্ষ্যৰ এটা উমৈহতীয়া মানে কমন ফিল'চ'ফি আছে। আমাৰ বিজ্ঞানকৰ্মী প্ৰত্যেকেই সেই কথা বুজি-বাজি লৈ কামত আগ বাঢ়িব লাগিব। ... বাৰু, মানুহ একোজনক 'মানুহ' হৈ জীয়াই থাকিবৰ বাবে অতি কমেও কি কি লাগে ?

**আয়েশাঃ** ... সুখ...শান্তি...সুস্বাস্থ্য আৰু নিৰাপত্তা চাৰ !

**শৰ্মাঃ** পৰিয়াল এটাক ?

**আয়েশাঃ** সেই একেখিনিয়েই চাৰ !

**শৰ্মাঃ** এৰা ! থিক সেইদৰে...দেশ একোখনক নিজৰ মৰ্য্যদা ৰক্ষা কৰি তিষ্ঠি থাকিবলৈ হ'লেও,

অতি কমেও ... এই চাৰিওটাৰেই প্ৰয়োজন। এই কথা সামগ্ৰিকভাৱে সমগ্ৰ বিশ্বৰ বাবেই খাটে ! .. খাটে নে নাখাটে.. ??

**আটায়েঃ** খাটে চাৰ !

**শৰ্মাঃ** এই সোতৰটা লক্ষ্যৰ উমৈহতীয়া উদ্দেশ্যও সেই একেটাই, -- প্ৰতিখন দেশৰ প্ৰতিজন মানুহৰ বাবে ... অবিৰত সুখ ... শান্তি... সুস্বাস্থ্য আৰু নিৰাপত্তা...

**কুন্তলাঃ** তাৰ মানে চাৰ ! সামগ্ৰিকভাৱে বিশ্ব মানৱ আৰু মানৱাতাৰেই কল্যাণৰ কথা...

**শৰ্মাঃ** এৰা ! ... বিশ্বমানৱ বোলোতে কিন্তু কেৱল মানৱ জাতিৰ কথাই কোৱা হোৱা নাই, -- মানৱজাতিৰ লগতে সমগ্ৰ বিশ্ব মানে পৃথিৱী আৰু জীৱ-জন্তু - গছ -লতাৰ লগতে প্ৰকৃতি আৰু পৰিৱেশকো সাঙোৰা হৈছে...

**আয়েশাঃ** সেয়াইটো বহনক্ষম বিকাশৰ মূল আধাৰ ... মাচান'বু ফুকুঅ'কাই আগ বঢ়োৱা ...

আয়েশা আৰু অৰিন্দমঃ ... বহনক্ষম বিকাশৰ ... বহনক্ষম দৰ্শণ...

**শৰ্মাঃ** এৰা ! এক মংগলময় শুভ সামগ্ৰিকতা... ইয়াৰ জৰিয়তে এই সহস্ৰাব্দতেই বহনক্ষম বিকাশক কাৰ্য্যদক্ষ কৰি তোলাৰ বাবেইতো ... আমাৰ এই অভিযান... য'ত আপোনালোকৰ প্ৰতিগৰাকিয়েই একো একো গৰাকী অভিযাত্ৰী আৰু সেনাপতি...

**কুন্তলাঃ** সেয়েহে আমি প্ৰত্যেকেই এই অভিযানৰ বাবে প্ৰস্তুত হ'ব লাগিব... আৰু সততেই মনত ৰাখিব লাগিব যে ...

**আয়েশাঃ** ... বহনক্ষম বিকাশৰ বাবে ... (সুৰত)

**কুন্তলা আৰু আয়েশাঃ** ... অবিৰাম বিকাশৰ অবিৰত খোজ ... (সুৰত)

(সমৱেত কণ্ঠত শীৰ্ষক গীত)

.................................................................................................................................

প্ৰশ্ন ১. ১৯৭২ চনত পোন প্ৰথমে কিমানখন দেশৰ মাজত আলোচনাত বিকাশৰ সৈতে পৰিৱেশৰ সুৰক্ষা আৰু সংৰক্ষণক জড়িত কৰাৰ কথা কোৱা হয়। এই অধিৱেশন ক'ত হৈছিল ?

- ১১৩ খন দেশে ভাগ লৈছিল। ষ্টকহ'মত হৈছিল।

২ কেতিয়া কোনে বহনক্ষম বিকাশ বোলা শব্দযোৰা প্ৰথমে ব্যৱহাৰ কৰে ?

-- ১৯৮৭ চনত জাপানী বিজ্ঞানী মাচান'বু ফুকুঅ'কাই।

.................................................................................................................................